# India –Sri Lankan Fishermen’s issue(Assamese Translation)

## ভাৰত – শ্ৰী লংকাৰ মাছমৰীয়া সকলৰ বিষয়

মাৰ্চ ১৩,২০১৪

ভাৰত চৰকাৰে ভাৰতীয় মাছমৰীয়া সকলৰ সুৰক্ষা,নিৰাপত্তা আৰু কল্যানৰ অৰ্থে সবৰ্বোচ্চ গুৰুত্ব আৰোপ কৰি আহিছে ।শ্ৰী লংকাৰ সাগৰত দোষনিয় ভাৱে মাছ মৰাৰ অভিযোগত শ্ৰী লংকাৰ প্ৰশাসনৰ হাতত বন্দী হোৱা ভাৰতীয় মাছমৰীয়া সকলক উদ্ধাৰ কৰিবলৈ ভাৰত চৰকাৰে যথেষ্ট প্ৰচেষ্টা চলাইছে ।

মানৱীয়তা আৰু জিৱীকাৰ দৃষ্টিকোনেৰে মাছমৰীয়া সকলৰ বিষয়টোক বিবেচনা কৰি চৰকাৰে ২৬ অক্তোৱৰ ২০০৮ তাৰিখে শ্ৰী লংকা চৰকাৰৰ সৈতে এখন যুটিয়া বিজ্ঞপ্তী জাৰি কৰিছিল যাতে আৰ্ন্তৰাষ্ট্ৰীয় মেৰিটাইম সীমান্ত ৰেখা (আই এম বি এল) পাৰ কৰা ভাৰতীয় আৰু শ্ৰী লংকাৰ বোনা ফাইড মাছমৰীয়া সকলৰ বিষয়টো পৰিক্ষা নিৰীক্ষা কৰিবলৈ এক বাস্তৱিক ব্যৱস্থা কৰিব পাৰি ।আনহাতে,২০১২ চলৰ জানুৱাৰী মাহত অনুষ্ঠিত শেহতীয়া মাছমৰীয়াৰ সন্দৰ্ভত যুটীয়া কাৰ্য্যকৰী দলৰ বৈঠকত দুয়ো পক্ষই মাছমৰীয়া সকলৰ সংস্থাৰ সৈতে এক বৈঠকত মিলিত হোৱাৰ সিদ্ধান্ত গ্ৰহন কৰিছিল । সেই অনুসৰি ২৭ জানুৱাৰী ২০১৪ তাৰিখে চেন্নাইত ভাৰত আৰু শ্ৰী লংকাৰ মাছমৰীয়া সংস্থাৰ অংশ গ্ৰহনৰে চৰকাৰৰ প্ৰথম লানি বৈঠক অনুষ্ঠিত হৈছিল ।কলম্বোত অতি কম দিনৰ ভিতৰতে অনুষ্ঠিত হবলগীয়া পৰবৰ্তী লানি আলোচনাৰ প্ৰস্তুতি ইতিমধ্যে চলি আছে ।

মাছমৰীয়া সকলৰ সংস্থাৰ সৈতে অনুষ্ঠিত হবলগীয়া পৰবৰ্তী আলোচনাৰ পূৰ্বে এক সৌজন্যমুলক পদক্ষেপ হিচাপে ভাৰত চৰকাৰ আৰু শ্ৰী লংকা চৰকাৰে এক বুজাপৰাত উপনীত হৈছে আৰু দুয়োখন দেশত বন্দী হৈ থকা মাছমৰীয়া আৰু তেওঁলোকৰ নাওঁবোৰ মুকলি কৰি দিয়াৰ সিদ্ধান্ত গ্ৰহন কৰিছে । বন্দী মাছমৰীয়া সকল আৰু তেওঁলোকৰ নাওঁ সমুহ মুক্ত কৰি দিয়াৰ প্ৰক্ৰিয়া ইতিমধ্যে যোৱা ১২ মাৰ্চ ২০১৪ তাৰিখৰ পৰা আৰম্ভ কৰা হৈছে ।

নতুন দিল্লী

মাৰ্চ ১৩,২০১৪